# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-08-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ জলগাঁও আৰু ৰাজস্থানৰ যোধপুৰ ভ্ৰমণ কৰিব।

৩। কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলৰ নিশ্চিত পেন্সন প্ৰদানৰ উদ্দেশ্যে নতুন পেন্সন আঁচনিত অনুমোদন জনাইছে।

৪। ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মৌৰ ৰিয়েৰা চাৰি দিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হ'ব।

*আৰু*

৫। চীনৰ চেংডুত অনুষ্ঠিত ১৫ বছৰ অনুৰ্ধৰ এছিয়া জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ তন্বি পাত্ৰীয়ে ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ জলগাঁও আৰু ৰাজস্থানৰ যোধপুৰ ভ্ৰমণ কৰিব। আজি পুৱাৰ ভাগত শ্ৰীমোদীয়ে লাখপতি দিদি সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে জলগাঁৱলৈ যাব। এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালত অলপতে লাখপতি হোৱা ১১ লাখ নতুন লাখপতি দিদিক তেওঁ সন্মান জনোৱাৰ লগতে প্ৰমাণপত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশৰ লাখপতি দিদিসকলৰ সৈতে মত বিনিময়ো কৰিব। শ্ৰীমোদীয়ে দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজিও মুকলি কৰিব যাৰ দ্বাৰা আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হ'ব। তেওঁ লগতে ৫ হাজাৰ কোটি টকাৰ বেংক ঋণো বিতৰণ কৰিব, যিয়ে প্ৰায় ২৬ লাখ আত্মসহায়ক গোটৰ সদস্যক সহায় কৰিব। লাখপতি দিদি আঁচনি আৰম্ভ হোৱাৰে পৰা এক কোটি মহিলা লাখপতি দিদি হৈছে আৰু চৰকাৰে ৩ কোটি মহিলাক লাখপতি দিদি বনোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

সন্ধিয়ালৈ প্ৰধানমন্ত্ৰী মোদী ৰাজস্থানৰ যোধপুৰত উপস্থিত হ'ব। তেওঁ ৰাজস্থান উচ্চ ন্যায়ালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ সামৰণি উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে ৰাজস্থান উচ্চ ন্যায়ালয় সংগ্ৰহালয়ো মুকলি কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী সংস্থাৰ যুটীয়া মঞ্চ Joint Consultative Machineryৰ এটা প্ৰতিনিধি গোটৰ সৈতে এখন বৈঠকত মিলিত হয়। সংস্থাটোৰ সম্পাদক গোপাল মিশ্ৰই ৩২ লাখ কৰ্মচাৰীৰ প্ৰতিনিধি গোটৰ সৈতে প্ৰধানমন্ত্ৰী আলোচনা কৰাৰ বাবে তেওঁক ধন্যবাদ জনায়।

ooooo

কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলৰ নিশ্চিত পেঞ্চন প্ৰদানৰ উদ্দেশ্যে নতুন পেঞ্চন আঁচনি, একীকৃত পেঞ্চন আঁচনিত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ পিছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, এই আঁচনিৰ অধীনত ২৫ বছৰ সেৱা আগবঢ়োৱাৰ পাছত শেষৰ ১২টা মাহৰ দৰমহাৰ ৫০ শতাংশ পেঞ্চন হিচাপে আগবঢ়োৱা হ'ব। তদুপৰি এই আঁচনিত কৰ্মচাৰীৰ মৃত্যুৰ পাছত পৰিয়ালৰ বাবে ৬০ শতাংশ পেঞ্চনৰ নিশ্চিতি প্ৰদান কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে, এই আঁচনিৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব। এই আঁচনিখন ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। শ্ৰীবৈষ্ণৱে লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সভাপতিত্বত অনুষ্ঠিত কেবিনেটে অৰ্থনীতি পৰিৱেশ আৰু নিয়োগ নীতিৰ ক্ষেত্ৰত বায়' ই-থ্ৰী জৈৱ প্ৰযুক্তিত অনুমোদন জনাইছে। শ্ৰীবৈষ্ণৱে কয় যে, ইয়াৰ জৰিয়তে উদ্যমিতা, বিকাশৰ আৰু গৱেষণাৰ ক্ষেত্ৰত উদ্ভাৱনীমূলক দিশত এই আঁচনিয়ে  সহায় কৰিব। কেবিনেটে ১০ হাজাৰ ৫৭৯ কোটি টকা নিৰ্ধাৰণেৰে বিজ্ঞান ধাৰা ৩ খন মুখ্য আঁচনি অব্যাহত ৰখাত অনুমোদন জনাইছে।

ooooo

কেন্দ্ৰীয় কেবিনেটৰ একীকৃত পেঞ্চন আঁচনিৰ অনুমোদনক চৰকাৰী কৰ্মচাৰীসকলে আদৰণি জনাইছে। তেওঁলোকে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁলোকৰ বিভিন্ন সমস্যা সম্পৰ্কে কৰা আলোচনাৰ বাবেও ধন্যবাদ জনাইছে। চৰকাৰী কৰ্মচাৰী সংস্থাৰ যুটীয়া মঞ্চ Joint Consultative Machinery ৰ সম্পাদক গোপাল মিশ্ৰই কয় যে, প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক এখন বৈঠকৰ বাবে আমন্ত্ৰণ জনাইছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰীৰ অৱদানক প্ৰশংসা কৰিছে। নতুন পেঞ্চন আঁচনি, ইউনিফাইড পেঞ্চন আঁচনি সন্দৰ্ভত কেবিনেটৰ সিদ্ধান্তৰ পিছতে প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমত দিয়া এটা পোষ্ট যোগে কয় যে, এই আঁচনিখনে চৰকাৰী কৰ্মচাৰীৰ মৰ্যাদা আৰু আৰ্থিক সুৰক্ষা নিশ্চিত কৰিছে। তেওঁ লগতে কয় যে, এই আঁচনিখন কৰ্মচাৰীসকলৰ কল্যান আৰু সুৰক্ষিত ভৱিষ্যতৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিৱদ্ধতাৰ পৰিচায়ক। প্ৰধানমন্ত্ৰীয়ে লগতে যুৱ প্ৰজন্মক উদ্ভাৱনী আৰু বৈজ্ঞানিক গৱেষনাৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্য আৰম্ভ কৰা বিজ্ঞান ধাৰাৰ বিষয়ে উল্লেখ কৰে।

ooooo

ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মৌৰ' ৰিয়েৰা চাৰি দিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হ'ব। মঙলবাৰে বিদেশমন্ত্ৰী ড০ এছ্‌ জয়শংকৰ আৰু শ্ৰীৰিয়েৰাই ভাৰত-ব্ৰাজিল নৰম যুটীয়া আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, এই বছৰ ব্ৰাজিলে জি-টুৱেণ্টিৰ অধ্যক্ষতা কৰাৰ লগে লগে দুয়োখন দেশে জি-টুৱেণ্টিৰ মূল ফলাফলসমূহ কেনেদৰে আগবঢ়াই নিব সেই বিষয়ে বৈঠকত আলোচনা কৰা হ'ব। মন্ত্ৰ্যালয়ে লগতে কৈছে যে, ভাৰত আৰু ব্ৰাজিলে বিভিন্ন ক্ষেত্ৰত সম্পৰ্ক ৰক্ষা কৰি আহিছে। মন্ত্ৰ্যালয়ে লগতে কয় যে, বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ২০০৬ চনতে প্ৰতিষ্ঠা হোৱা কৌশলগত অংশীদাৰিত্ব আধিক সুদৃঢ় কৰাৰ সুবিধা আগবঢ়োৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক, আঞ্চলিক আৰু বহুপাক্ষিক সহযোগিতাৰ নতুন পথ মুকলি কৰিব।

০০০০০

নেপালৰ বাছ দুৰ্ঘটনাত মৃত্যু হোৱা ২৫ গৰাকী লোকৰ মৃতদেহ কালি এখন বিশেষ বিমানৰ জৰিয়তে মহাৰাষ্ট্ৰৰ জলগাঁৱলৈ অনা হয়। তাৰ পৰা এই মৃতদেহসমূহ প্ৰয়োজনীয় ব্যৱস্থাৰ মাধ্যমেদি পৰিয়ালক গতাই দিয়া হয়। জলগাঁৱৰ অভিভাৱক মন্ত্ৰী গোলাব ৰাও পাটিলে সাংবাদিকৰ আগত কয় যে, আঘাটপ্ৰাপ্তসকলক নেপালৰ এখন চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ তনাহুন জিলাত হোৱা বাছ দুৰ্ঘটনাত হতাহত লোকসকললৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিজন লোকৰ নিকট-আত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহত সকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে এই দুৰ্ঘটনাত ২৭ গৰাকী ভাৰতীয়ই প্ৰাণ হেৰুওৱা বুলি প্ৰকাশ কৰিছে।

০০০০০

নাছাৰ দুগৰাকী মহাকাশচাৰী, সুনীতা উইলিয়ামছ আৰু বেৰী উইলমৰে ২০২৫ চনৰ ফেব্ৰুৱাৰীত স্পেচএক্সৰ জৰিয়তে পৃথিৱীলৈ উভতি আহিব। তেওঁলোকে আঠ দিনীয়া অভিযানত মহাকাশলৈ গৈছিল যদিও বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ সমস্যাৰ বাবে এতিয়া প্ৰায় আঠ মাহ কক্ষপথত কটাব। নাছাই ঘোষণা কৰিছে যে, ষ্টাৰলাইনাৰখনে মানৱবিহীনভাৱে অবিহনে পৃথিৱীলৈ উভতি আহিব। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যাত্ৰাৰ সময়ত মহাকাশযানখনে হিলিয়াম লিক আৰু থ্ৰাষ্টাৰৰ বিসংগতিকে ধৰি সমস্যাৰ সন্মুখীন হৈছিল। বয়িং আৰু নাছাৰ অভিযন্তাসকলে ষ্টাৰলাইনাৰৰ সৈতে কাৰিকৰী সমস্যা সমাধানৰ কাম কৰি আছে আৰু মহাকাশচাৰীসকল নিৰাপদে ঘূৰি অহাটো নিশ্চিত কৰিবলৈ পৰীক্ষা চলাই আছে।

০০০০০

চীনৰ চেংডুত অনুষ্ঠিত ১৫ বছৰ অনুৰ্ধৰ এছিয়া জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ তন্‌বি পাত্ৰীয়ে ফাইনেলত প্ৰৱেশ কৰিছে। ১৫ বছৰ অনুৰ্ধ শাখাত ছোৱালীৰ শীৰ্ষ বাচনিৰ খেলুৱৈ পাত্ৰীয়ে থাইলেণ্ডৰ ষষ্ঠ বাছনিৰ কুংককেও কাকানিক ২১-১৯, ২১-১০ত পৰাস্ত কৰে। পাত্ৰীয়ে ফাইনেলত ভিয়েটনামৰ দ্বিতীয় বাঁছনিৰ খেলুৱৈ নুৱেন থি তু হুইগেনৰ বিৰুদ্ধে খেলিব। ভিয়েটনামৰ খেলুৱৈগৰাকীয়ে ছেমি ফাইনেলত চীনৰ লিউ ইউ টঙক পৰাস্ত কৰে। আনহাতে ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ ছিংগলছত জ্ঞান দাট্টু টিটি ইণ্ডোনেছিয়াৰ ৰাদিত্যে বা'য়বৰ্ধনৰ হাতত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

ভাৰতীয় পেৰা শ্যুটিং দলটো পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণৰ বাবে স্বদেশৰ পৰা ৰাওনা হৈছে। মনিষ নাৰ'ৱাল, আমিৰ আহমেদ ভট্, ৰুদ্ৰাংশ খাণ্ডেলৱাল, অৱনী লেখ্ৰা, মোনা আগৰৱাল, ৰুবিনা ফ্ৰান্সিছ, স্বৰূপ মহাবীৰ, সিদ্ধাৰ্থ বাবু, শ্ৰীহৰ্ষ দেৱৰড্ডী আৰু নিহাল সিঙক লৈ গঠিত দলটোৱে টকিঅ' পেৰালিম্পিকত অধিক উন্নত প্ৰদৰ্শনৰ চেষ্টা চলাব। উল্লেখযোগ্য যে, ভাৰতীয় পেৰা শ্যুটিং দলটোৱে টকিঅ' পেৰালিম্পিকত দুটা সোন, এটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ ৪টা পদক লাভ কৰিছিল। ৩০ আগষ্টত পেৰিছ পেৰালিম্পিকৰ শ্যুটিং শিতানৰ খেলসমূহ আৰম্ভ হ'ব।

০০০০

**সমাপ্ত**